জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭১/২০২০

# অসম অসামৰিক সেৱাৰ বিষয়া বিষ্ণু দত্ত শৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৫ অক্টোবৰ ঃ** অসম অসামৰিক সেৱাৰ বিষয়া বিষ্ণু দত্ত শৰ্মাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত বিষ্ণু দত্ত শৰ্মাই এগৰাকী অসম অসামৰিক সেৱাৰ বিষয়া হিচাপে অতি নিষ্ঠা আৰু দক্ষতাৰে যি সেৱা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তদুপৰি, এসময়ত এগৰাকী সাংবাদিক হিচাপেও সংবাদ পত্ৰলৈ তেখেতে অৰিহণা আগবঢ়াই গৈছে। প্ৰকৃতিপ্ৰেমী প্ৰয়াত দত্তই বিভিন্ন কাকত-আলোচনীত প্ৰকৃতি সংৰক্ষণ তথা বিভিন্ন বিষয়ক মননশীল নিৱন্ধলিখি এই দিশত উল্লেখযোগ্য অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী দক্ষ বিষয়াৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিষ্ণু দত্ত শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ / বঃভাঃ
৫/১০/২০২০